# NATIONAL MEANS CUM MERIT SCHOLARSHIP (NMMS)

# পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থীৰ বাবে পঞ্জীয়ন (Registration) সংক্ৰান্তীয় জাননী

## (FRESH & RENEWAL)

ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ অধীনৰ NATIONAL MEANS-CUM-MERIT SCHOLARSHIP (NMMS) পৰীক্ষাত শেহতীয়াকৈ উত্তীৰ্ণ আৰু পূৰ্বৱৰ্তী বৰ্ষসমূহত উত্তীৰ্ণ বৃত্তিযোগ্য প্ৰাৰ্থীসমূহৰ পঞ্জীয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যেই National Scholarship Portal (NSP)-ৰ সংশ্লিষ্ট Link মুকলি কৰি দিছে। সেয়েহে সমূহ উত্তীৰ্ণ বৃত্তিযোগ্য প্ৰাৰ্থীকে (Fresh & Renewal) অহা 30-09-2022 তাৰিখৰ ভিতৰত NSP তথা www.scholarships.gov.in-ৰ জৰিয়তে নিজৰ নিজৰ পঞ্জীয়ন(Fresh & Renewal) প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ ইয়াৰ দ্বাৰা আহ্বান জনোৱা হ'ল।

## পঞ্জীয়নৰ নিয়মাৱলীঃ

### উত্তীৰ্ণ প্ৰাৰ্থীৰ বাবে-

**Fresh Registration (নতুন পঞ্জীয়ন)**

১) যোৱা ১০-০৪-২০২২ তাৰিখে অনুষ্ঠিত ২০২১ বৰ্ষৰ NMMS পৰীক্ষাত উত্তীৰ্ণ শিক্ষাৰ্থীয়ে প্ৰথমে নিজৰ নাম, আধাৰ নং, ফোন নং, বেংক একাউণ্টৰ সবিশেষ আৰু অন্যান্য যাৱতীয় নথি-পত্ৰৰে সেই ৱেবচাইটত পঞ্জীয়ন কৰি ল'ব লাগিব।

২) পঞ্জীয়ন প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছত সংশ্লিষ্ট ম'বাইল নম্বৰৰ মাধ্যমেৰে ID আৰু Password প্ৰাপ্ত হ'ব যাৰ জৰিয়তে Login কৰি Department of School Education & Literacy-ৰ NMMS আঁচনিৰ অধীনত বৃত্তিৰ বাবে আবেদন কৰিব লাগিব।

৩) এই ক্ষেত্ৰত শিক্ষাৰ্থীসকলৰ বেংক একাউণ্ট সকলো সময়তে সক্ৰিয় (Active) হৈ থকাটো অত্যাৱশ্যকীয়। কিয়নো, বেংকৰ জৰিয়তে DBT কৰাৰ সময়ত নিষ্ক্ৰিয় (Inactive) একাউণ্টত ধন পঠিয়ালে লেন-দেন সফল নহয় যাৰ বাবে কৰ্তৃপক্ষ দায়ী নহ'ব।

৪) কেৱল চৰকাৰী বিদ্যালয়ত অধ্যয়ন কৰি থকা শিক্ষাৰ্থীহে এই আঁচনিৰ অন্তৰ্ভুক্ত হ'ব পাৰিব।

৫) পঞ্জীয়ন প্ৰক্ৰিয়া সুচাৰুভাৱে সম্পাদন হ'লে ভাৰত চৰকাৰৰ পৰা প্ৰত্যক্ষভাৱে জলপানিৰ ধন বছৰি ১২,০০০/- (বাৰ হাজাৰ) টকাকৈ শিক্ষাৰ্থীৰ বেংক একাউন্টত DBT যোগে জমা হ'ব।

৬) ইয়াৰ উপৰিও প্ৰতি বছৰে যথা সময়ত এই পঞ্জীয়ন Renewal অৰ্থাৎ নৱীকৰণ কৰিব লাগিব।

৭) শিক্ষাৰ্থীসকলে কৰ্তৃপক্ষই সংশ্লিষ্ট বৰ্ষৰ বাবে নিৰ্ধাৰণ কৰি দিয়া অন্তিম তাৰিখৰ ভিতৰত পঞ্জীয়ন কৰিব লাগিব। অন্যথা, সেই শিক্ষাৰ্থীজন বৃত্তিৰ লাভৰ পৰা বঞ্চিত হ'ব।

**Renewal Registration (পঞ্জীয়নৰ নৱীকৰণ)**

১) প্ৰথম বৰ্ষৰ দৰে পৰৱৰ্তী সংশ্লিষ্ট বৰ্ষসমূহৰ বাবেও (২০১৮, ২০১৯ আৰু ২০২০ বৰ্ষত উত্তীৰ্ণ) প্ৰাপ্য বৃত্তিৰ ধন প্ৰাপ্তিৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ National Scholarship Portal (NSP) তথা www.scholarships.gov.in ৱেবচাইটৰ জৰিয়তে পঞ্জীয়নৰ নৱীকৰণ (Renewal of Registration) কৰিব লাগিব।

২) শিক্ষাৰ্থীগৰাকী যিটো বৰ্ষৰ জলপানিৰ বাবে পঞ্জীয়ন (Fresh/Renewal) কৰিব সেই বৰ্ষত তেওঁ চৰকাৰী শিক্ষানুষ্ঠানত অধ্যয়ন কৰি থকাটো বাধ্যতামূলক।

৩) সাধাৰণ বৰ্গ(General Caste)ৰ শিক্ষাৰ্থীসকলে নৱম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ উত্তীৰ্ণ হওঁতে বাৰ্ষিক পৰীক্ষাত নূন্যতম ৫৫% আৰু অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি(SC and ST Caste)ৰ শিক্ষাৰ্থীসকলে ৫০% নম্বৰ পাই উত্তীৰ্ণ হ'ব লাগিব।

৪) একেদৰে সাধাৰণ শ্ৰেণী (General Caste)ৰ শিক্ষাৰ্থীসকলে দশম শ্ৰেণীৰ প্ৰৱেশিকা পৰীক্ষাত নূন্যতম ৬০% আৰু অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি(SC and ST Caste)ৰ শিক্ষাৰ্থীসকলে ৫৫% নম্বৰ পাই উত্তীৰ্ণ হ'ব লাগিব।

৫) পৰ্যায়ক্ৰমে একাদশ আৰু দ্বাদশ শ্ৰেণীলৈ উত্তীৰ্ণ হওঁতে চূড়ান্ত পৰীক্ষাসমূহত সাধাৰণ শ্ৰেণী (General Caste)ৰ শিক্ষাৰ্থীসকলে নূন্যতম ৫৫% নম্বৰ পাই উত্তীৰ্ণ হ'ব লাগিব আৰু অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি(SC and ST Caste)ৰ শিক্ষাৰ্থীসকলে নূন্যতম ৫০% নম্বৰ পাই উত্তীৰ্ণ হ'ব লাগিব।

৬) অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ভিতৰত যিকোনো শিক্ষাবৰ্ষত যদিহে কোনো শিক্ষাৰ্থী অনুত্তীৰ্ণ হয় কিম্বা কোনো ব্যক্তিগত শিক্ষা প্ৰতিষ্ঠানত নামভৰ্তি কৰে তেন্তে সেই বৰ্ষৰ পৰাই শিক্ষাৰ্থীজন এই জলপানি আঁচনিৰ পৰা অব্যাহতি পাব।

৭) শিক্ষাৰ্থীসকলে কৰ্তৃপক্ষই সংশ্লিষ্ট বৰ্ষৰ বাবে নিৰ্ধাৰণ কৰি দিয়া অন্তিম তাৰিখৰ ভিতৰত পঞ্জীয়ন নৱীকৰণ কৰিব লাগিব। অন্যথা, সেই শিক্ষাৰ্থীজনে বৃত্তিৰ লাভৰ পৰা বঞ্চিত হ'ব।

### শিক্ষানুষ্ঠান ন'ডেল বিষয়া(INO)ৰ বাবে-

১) INO (Institutional Nodal Officer) হিচাপে বিদ্যালয়ৰ প্ৰধানজনে (Head of the Institution) আধাৰ কাৰ্ডৰ সহায়ত প্ৰথমে বিদ্যালয়খন National Scholarship Portal (NSP)-ত পঞ্জীয়ন কৰি ল'ব লাগিব।

২) শিক্ষাৰ্থীসকলৰ পঞ্জীয়ন আৰু আবেদন প্ৰক্ৰিয়া সফলভাৱে সম্পূৰ্ণ হোৱাৰ পিছত INO-ই NSP-ত Institution Login কৰি আবেদনসমূহৰ পৰীক্ষণ(Verification) প্ৰক্ৰিয়া অহা 16-10-2022 তাৰিখৰ ভিতৰত Online যোগে সম্পন্ন কৰিব লাগিব।

৩) বিদ্যালয়ৰ অধ্যক্ষ তথা প্ৰধান শিক্ষক-শিক্ষয়িত্ৰীয়ে উত্তীৰ্ণ প্ৰাৰ্থীসকলৰ আবেদন তথা পঞ্জীয়ন পৰীক্ষণ (Verify) কৰাৰ সময়ত নিয়মাৱলীসমূহ ভালদৰে নিৰীক্ষণ কৰাটো বাধ্যতামূলক। অন্যথা, জলপানি সংক্ৰান্তত পৰৱৰ্তী সময়ত বিদ্যালয় পৰ্যায়ত যিকোনো সমস্যাৰ উদ্ভৱ হ'লে তেওঁ জবাবদিহি তথা দায়বদ্ধ হ'ব লাগিব।

৪) ছাত্ৰ-ছাত্ৰীসকলক যথা সময়ত এই বিষয়ে অৱগত কৰি তেওঁলোকৰ পঞ্জীয়ন প্ৰক্ৰিয়াসমূহ যথা সময়ত সম্পাদন কৰোৱাটো INO-ৰ দায়িত্ব।

### জিলা ন'ডেল বিষয়া(DNO)ৰ বাবে-

বিদ্যালয়ৰ অধ্যক্ষ তথা প্ৰধান শিক্ষক-শিক্ষয়িত্ৰীয়ে উত্তীৰ্ণ প্ৰাৰ্থীসকলৰ আবেদন তথা পঞ্জীয়ন পৰীক্ষণ (Verify) কৰাৰ অন্তত DNO (District Nodal Officer) হিচাপে বিদ্যালয়সমূহৰ পৰিদৰ্শকে তাক Online যোগে পৰীক্ষণ(Verify) কৰাটো বাধ্যতামূলক। অন্যথা, জলপানি সংক্ৰান্তত পৰৱৰ্তী সময়ত জিলা পৰ্যায়ত উদ্ভৱ হ'ব পৰা যিকোনো সমস্যাৰ তথা আঁচনিৰ লাভালাভৰ পৰা বঞ্চিত হোৱাৰ ক্ষেত্ৰত ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ ওচৰত দায়বদ্ধ হ'ব। চলিত বৰ্ষৰ বাবে DNO-ই এই পৰীক্ষণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ অন্তিম তাৰিখ হ'ল 31-10-2022.


কাৰ্যালয়ৰ ঠিকনা
পৰীক্ষা আৰু প্ৰশিক্ষণ (ET) শাখা
মাধ্যমিক শিক্ষা সঞ্চালকালয়, অসম
কাহিলিপাৰা, গুৱাহাটী - ৭৮১০১৯
Website- www.madhyamik.assam.gov.in
Ph. No.- 9435 77 67 67


সঞ্চালক
মাধ্যমিক শিক্ষা, অসম

# GOVERNMENT OF INDIA
# MINISTRY OF MINORITY AFFAIRS

Implemented by the Directorate of Char Areas Development Assam

## ADVERTISEMENT OF SCHOLARSHIP : 2022-23
### (Post Matric and Merit-cum-Means Scholarship)

Ministry of Minority Affairs (MoMA) provides an opportunity to the students belonging to six Minorit[y] communities notified by the Government of India (Jain, Buddhist, Sikh, Zoroastrian (Parsis), Muslim an[d] Christian) for availing scholarships under the two scholarship schemes viz. Post Matric (PMS) and Merit-cum-Means (MCM) Scholarships for Minorities for the year 2022-23. "**The Directorate of Char Areas Development Assam** invites online applications through National Scholarship Portal (NSP) for above scholarships, given by the Ministry of Minority Affairs, Government of India for the above schemes".

**Timeline**

| | |
|---|---|
| Last date for submission of applications for Fresh scholarship (first time applicant) and Renewal scholarship (applicant who has got scholarship during 2021-22) by students **(Post Matric and Merit-cum Means Scholarship)** | 31st October, 2022 |
| Last date for verification of applications online at Institute level (L1) for PMS & MCM. | 15th Nov.'2022 |
| Last date for verification of applications online at District level (L2) for PMS. | 30th Nov.'2022 |
| Last date for verification of applications online at State level (L2) for MCM. | 30th Nov.'2022 |

**Eligibility**

Post Matric Scholarship will be awarded to the students of Class XI, XII, Under Graduate and Post Graduate, M. Phil, P.Hd and other Vocational Courses who have secured not less than 50% marks in the previous final examination for fresh scholarship and annual income of their parents/guardian from all sources does not exceed Rs. 2.00 lakh. Scholarship will not be given to more than two students from a family.

Merit-Cum-Means Scholarship will be awarded to the students of Technical and Professional Courses, who have secured not less than 50% marks in the previous final examination and annual income of their parents/guardian from all sources does not exceed Rs. 2.50 lakh. Scholarship will not be given to more than two students from a family.

The applicant/student should be pursuing studies in India in **Government/ Provincialised/ Recognised or Recognised Private School/College/Institute.**

**Instructions**

**For Applicants**

Applicants are advised to apply online against any one of the scholarship schemes on the website of National Scholarship Portal at https://scholarships.gov.in (a link to the site is also available at www.minorityaffairs.gov.in) or Mobile App-National Scholarships (NSP).

Applicant is advised to give only that bank account details which remains in active mode or compliant as per bank's instructions so that payment of Scholarship does not fail.

**For Universities/Institutes/Colleges/Schools**

**Universities/Institutes/Colleges/Schools where a minority student is studying, should get themselves registered with AADHAAR (if not done earlier) on National Scholarship Portal and submit the printout copy of Institute (KYC) registration forms along with supporting documents to the District Nodal Office on or before 10th August, 2022 for approval.** Institutions whose KYC forms is already approved are requested to Authenticate AADHAAR for INOs and Head of Institutes at Institute Login on NSP. It is mentioned here that, the institutional Head will keep the Online application (Hard copy) along with supporting documents from the students. After receiving Online applications from the students they will login to the Institute and thoroughtly verify/ approve the Online applications and submit the verified list with seal and Signature to this Directorate for (MCM) on or before 20 November'2022 and for Post Matric Scholarships submit the verified list with seal and Signature to respective District Nodal Officer (DNO) i.e. Inspector of Schools on or before 17 November'2022.

For detailed information-Visit the website of Ministry of Minority Affirs, ie. www.minorityaffars.gov.in, Samadhaan Helpline (Toll free 0120-6619540) also may contact **Directorate of Char Areas Development Assam, Hengrabari Road, Dispur, Guwahati-6 Mob. No. 7086055605, Email. ID. director_cada@yahoo.com**

Janasanyog/D-9251/22

Sd/-
Director,
Char Areas Development Assam
Dispur, Guwahati-6